# কনকলতা

## অসমীয়া

**প্ৰশ্ন ১ : তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া :**

**(ক) হাতত পতাকা লৈ শোভাযাত্ৰাৰ আগত যোৱা ছোৱালীজনী কোন আছিল ?**

**উত্তৰ :** কনকলতা বৰুৱা।

**(খ) শোভাযাত্ৰাকাৰী দলটোৱে কোনখন থানাত পতাকা উৰুৱাবলৈ গৈছিল ?**

**উত্তৰ :** গহপুৰ থানাত।

**(গ) দলটোৱে কি বুলি ধ্বনি দি আগবাঢ়িছিল ?**

**উত্তৰ :** ‘বন্দে মাতরম, বন্দে মাতৰম্’।

**(ঘ) শোভাযাত্ৰাকাৰীসকলক কোনে বাধা দিছিল ?**

**উত্তৰ :** পুলিচে।

**(ঙ) কনকলতাই বীৰদৰ্পে কোৱা কথাখিনি কি ?**

**উত্তৰ :** “এইখন আমাৰ জনমভূমি, এই জনমভূমিত বিদেশীৰ কোনো অধিকাৰ নাই। থানাত আমাৰ জাতীয় পতাকা উৰুৱামেই।”

**(চ) কনকলতাই পুলিচৰ গুলিত বাগৰি পৰাত পতাকাখন কোনে হাতত লৈছিল ?**

**উত্তৰ :** মুকুন্দ কাকতিয়ে।

**(ছ) সদৌ শেষত থানাত পতাকাখন কোনে উৰুৱালে ?**

**উত্তৰ :** ৰমাপতি ৰাজখোৱাই।

**(জ) ভাৰতবৰ্ষই কেতিয়া স্বাধীনতা লাভ কৰে ?**

**উত্তৰ :** ১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখত।

**(ঝ) ‘৪২ৰ দুগৰাকী শ্বহীদৰ নাম লিখা।**

**উত্তৰ :** মুকুন্দ কাকতি আৰু কনকলতা বৰুৱা।

**প্ৰশ্ন ২ : বিপৰীত অৰ্থ বুজোৱা শব্দ লিখা :**

**স্বাধীন, জন্ম, শেষ, বিদেশী, ত্যাগ**

**উত্তৰ :**

| | |
|---|---|
| স্বাধীন | পৰাধীন |
| জন্ম | মৃত্যু |
| শেষ | আৰম্ভ |
| বিদেশী | স্বদেশী |
| ত্যাগ | গ্ৰহণ |

**প্ৰশ্ন ৩ : তলৰ শব্দবোৰেৰে বাক্য ৰচনা কৰা :**

**স্বাধীন, গীত, শোভাযাত্ৰা, ভ্ৰূক্ষেপ, হুংকাৰ, উত্তোলন, অনুপ্ৰেৰণা**

**উত্তৰ :**

| | |
|---|---|
| স্বাধীন | শ্বহীদ কনকলতা বৰুৱা সৰু কালৰে পৰা স্বাধীন মনা আছিল। |
| গীত | জ্যোতিপ্ৰসাদ আগৰৱালাই বহুতো স্বদেশ প্ৰেমৰ গীত লিখিছিল। |
| শোভাযাত্ৰা | এইবেলি বঙালী বিহুৰ সাংস্কৃতিক শোভাযাত্ৰাত ময়ো অংশগ্ৰহণ কৰিছিলোঁ। |
| ভ্ৰূক্ষেপ | ডাঙৰৰ সজ উপদেশলৈ ভ্ৰুক্ষেপ নকৰা বাবেই শিৰচৰণে প্ৰায়ে বিপদত পৰে। |

| | |
|---|---|
| হুংকাৰ | পুলিচে গুলিয়াব বুলি হুংকাৰ দিয়াৰ পাছতো শোভাযাত্ৰাকাৰীসকল আগুৱাই গৈছিল। |
| উত্তোলন | গহপুৰ থানাত জাতীয় পতাকা উত্তোলন কৰিবলৈ গৈ কনকলতা বৰুৱা শহীদ হৈছিল। |
| অনুপ্ৰেৰণা | আমাৰ শিক্ষাগুৰুসকলৰ সজ উপদেশবোৰে মোক বৰ অনুপ্ৰেৰণা দিয়ে। |